# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-02-2025
**Time:** 1845 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

**- - - - - - - - - - - - - -**

১। এডভাণ্টেজ আছামৰ সফল সামৰণিৰ পাছত মুখ্যমন্ত্ৰীৰ ভূটানৰ মন্ত্ৰী আৰু বিশ্ববেংকৰ ভাৰতৰ সঞ্চালকৰ সৈতে আলোচনাত অংশগ্ৰহণ।

২। ৰাজ্যৰ আভ্যন্তৰীণ জল পৰিবহণ খণ্ডত অহা ৫ বছৰত ৪ হাজাৰ ৮০০ কোটি টকাতকৈও অধিক ধন বিনিয়োগ কৰা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰকাশ।

৩। ৰাষ্ট্ৰপতিৰ শাসন জাৰি হোৱাৰ পাছতে মণিপুৰত কেইবাটাও উগ্ৰপন্থী সংগঠনৰ অস্ত্ৰ-শস্ত্ৰসহ আত্মসমৰ্পণ।

৪। ইউটিউবাৰ আশীষ চান্সলানিক আজি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ জেৰা।

**আৰু**

৫। আই চি চি চেম্পিয়নছ ট্ৰফীত আজি পাকিস্তান আৰু বাংলাদেশৰ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা।

০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সফল সামৰণিৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভালেকেইগৰাকী বিশিষ্ট অতিথিৰ সৈতে আলোচনাত মিলিত হয়। ড০ শৰ্মাই আজি পুৱাৰ ভাগত ভূটানৰ কৃষি আৰু পশুপালন মন্ত্ৰী ইউনটেন ফুণ্টশ্ব'ৰ সৈতে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা কৰে। দুয়োগৰাকী নেতাই কৃষি, বাণিজ্য, পৰ্যটন, শিক্ষা আৰু শক্তিখণ্ডত অধিক উন্নয়নৰ বাবে অসম আৰু ভূটানৰ মাজত সহযোগিতা শক্তিশালী কৰাৰ বিষয়ত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে বিশ্ববেংক, ভাৰতৰ সঞ্চালক ড০ অগষ্টে তানু কৌয়ামেৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যত প্লাগ এণ্ড প্লে ঔদ্যোগিক উদ্যানৰ আন্তঃগাঁথনি নিৰ্মাণ, কৃষি আৰু আনুষংগিক খণ্ডসমূহক অগ্ৰাধিকাৰ দিয়া আদি বিভিন্ন বিষয় সামৰি লোৱা হয়।

০০০০০

ৰাজ্যৰ আভ্যন্তৰীণ জল পৰিবহন আৰু জলপথৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে অহা ৫ বছৰত ৪ হাজাৰ ৮০০ কোটি টকাতকৈও অধিক ধন বিনিয়োগ কৰা হ'ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জল পৰিবহন মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি গুৱাহাটীত আয়োজিত এডভাণ্টেজ আছাম সন্মিলনত এই কথা প্ৰকাশ কৰে। কালি পথ পৰিবহন, ৰে'লৱে আৰু নদী বিষয়ক এখন আলোচনা সত্ৰত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আত্মনিৰ্ভৰ ভাৰতৰ সংকল্প গ্ৰহণ কৰি দেশ নিৰ্মাণৰ দিশত অগ্ৰসৰ হৈছে। অসমে এই পথেৰে আগবাঢ়ি যাব লাগিব বুলি শ্ৰীসোণোৱালে মন্তব্য কৰে। ২০১৪ চনৰ পৰা আভ্যন্তৰীণ জলপথ খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীসোণোৱালে ব্ৰহ্মপুত্ৰ আৰু বৰাককে ধৰি নদী প্ৰণালীৰ সমৃদ্ধ নেটৱৰ্কৰ সৈতে ৰাজ্যখনৰ আভ্যন্তৰীণ জলপথসমূহে অৰ্থনৈতিক বিকাশত অতিশয় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ নৌকা আঁচনিৰ অধীনত ২০৩০ চনৰ ভিতৰত অসমত সেউজ জাহাজৰ বাবে এহেজাৰ ৫০০ কোটি টকা আবণ্টনৰ কথা ঘোষণা কৰে। তদুপৰি ২০২৭-২৮ বৰ্ষৰ ভিতৰত ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীত পৰ্যটনৰ সুবিধাৰ বাবে কাৰ্গো চলাচল বৃদ্ধি কৰিবলৈ এহেজাৰ ৫০০ কোটি টকা ধাৰ্য কৰা বুলি তেওঁ ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে জলপথ সুচল কৰি তোলাৰ বাবে ২০২৬ৰ পৰা ২০২৭ চনলৈকে বাংলাদেশ সীমান্তৰ পৰা ব্ৰহ্মপুত্ৰ পাণ্ডুলৈ জলপথৰ ন্যূনতম আঢ়ৈ

মিটাৰ গভীৰতা নিশ্চিত কৰাৰ বাবে ভাৰতীয় ড্ৰেজিং সংস্থাক দায়িত্ব অৰ্পণ কৰি ইয়াৰ বাবে ১৯১ কোটি টকা ধাৰ্য কৰা হৈছে। কালিৰ অনুষ্ঠানতে শ্ৰীসোণোৱালে ৩১৫ কোটি টকা বিনিয়োগেৰে গুৱাহাটী আৰু ধুবুৰীত ৱাটাৰ মেট্ৰ' সেৱাৰ বিকাশৰ কথাও ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীকেন্দ্ৰিক এহেজাৰ ১০ কোটি টকাৰ প্ৰকল্প কেন্দ্ৰীয় জলপথ প্ৰাধিকৰণে ৰূপায়ণ কৰা বুলি জানিবলৈ দিয়ে।

ooooo

চুবুৰীয়া ৰাজ্য মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন জাৰি হোৱাৰ পাছতে কেইবাটাও উগ্ৰপন্থী সংগঠনে নিৰাপত্তা বাহিনীৰ ওচৰত অস্ত্ৰ-শস্ত্ৰসহ আত্মসমৰ্পণ কৰে। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই সাতদিনৰ ভিতৰত উগ্ৰপন্থী সংগঠন তথা নাগৰিকক মজুত থকা অস্ত্ৰ-শস্ত্ৰ আৰক্ষী প্ৰশাসনক গতাই দিবলৈ নিৰ্দেশ দিয়াৰ পাছতে কালি অস্ত্ৰ-শস্ত্ৰসহ ৮৭ জন লোকে আত্মসমৰ্পণ কৰে। ৰাজ্যখনৰ আটাইকেইখন জিলাতে বৃহৎ সংখ্যক অস্ত্ৰ-শস্ত্ৰ প্ৰশাসনক সমৰ্পণ কৰা হয়। উল্লেখযোগ্য যে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে পদত্যাগ কৰাৰ পাছত বিজেপি নেতৃত্বই মুখ্যমন্ত্ৰী পদৰ নতুন প্ৰাৰ্থী নিৰ্বাচন কৰিব নোৱাৰাৰ বাবে যোৱা ১৩ ফেব্ৰুৱাৰীত ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰা হৈছিল। ইয়াৰ পাছতে ৰাজ্যপাল শ্ৰী ভাল্লাই অস্ত্ৰ-শস্ত্ৰ জমা দিবলৈ সময়সীমা নিৰ্ধাৰণ কৰি দিছিল। এই সময়সীমাৰ ভিতৰত অস্ত্ৰ-সম্বৰণ কৰিলে কোনোধৰণৰ গোচৰ ৰুজু কৰা নহয় বুলিও তেওঁ উল্লেখ কৰিছিল। ৰাজ্যপালগৰাকীয়ে এই সময়ছোৱাত অস্ত্ৰ সম্বৰণ নকৰিলে সাদিনৰ পাছত নিৰাপত্তা বাহিনীয়ে অস্ত্ৰৰ সন্ধানত অভিযান চলাব বুলিও সকিয়নী দিছিল।

ooooo

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ চেচন হ'লত কালি দাখিল হোৱা ২০২৫-২৬ বিত্তীয় বৰ্ষৰ পাৰিষদিক বাজেট আৰু জিলা বাজেট আজি ধবনি ভোটেৰে গৃহীত হয়। পৰিষদৰ বাজেটত নিজস্ব উৎসৰ পৰা ৪৫ হাজাৰ লাখ টকাৰো অধিক আৰু ৰাজ্য চৰকাৰৰ পৰা ৪০ হাজাৰ লাখ টকাৰো অধিক ব্যয় নিৰ্ধাৰণ কৰা হৈছে। বিত্ত বিভাগৰ দায়িত্বত থকা মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙে পৰিষদীয় ২৬টা সমষ্টিত সম উন্নয়নৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি কয় যে ৰাজহ বৃদ্ধিৰ বাবে প্ৰতিটো সমষ্টিত ১ কোটি টকাকৈ আবণ্টন দিয়া হ'ব।

ooooo

সামাজিক মাধ্যমত অশোভনীয় মন্তব্য কৰা ইউটিউবাৰ আশীষ চান্সলানিক আজি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখা চি আই ডিয়ে জেৰা কৰে। আজি অধিবক্তাসহ পানবজাৰৰ চি আই ডিৰ থানাত হাজিৰ হোৱাৰ পাছত তদন্তকাৰী বিষয়াই গোচৰ সংক্ৰান্তত ইউটিউবাৰগৰাকীক জেৰা কৰে। উল্লেখযোগ্য যে শ্ৰীচান্সলানিয়ে ইউটিউবৰ এটা অনুষ্ঠানত কেতবোৰ অশালীন মন্তব্য কৰিছিল। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত অপৰাধ অনুসন্ধান শাখাই আশীষ চান্সলানিসহ অন্য চাৰিগৰাকী ইউটিউবাৰৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে। চি আই ডিৰ এটা দলে ইতিপূৰ্বে মুম্বাইলৈ গৈ ঘটনাৰ তদন্ত কৰাৰ লগতে এই লোককেইজনক চমন জাৰি কৰিছিল। অৱশ্যে গোচৰৰ মাজতে গুৱাহাটী উচ্চ ন্যায়ালয়ে অভিযুক্ত আশীষ চান্সলানিক জামিন প্ৰদান কৰিছিল। আজি জেৰাৰ অন্তত মুম্বাইলৈ ঘূৰি যোৱা চান্সলানিক প্ৰয়োজন সাপেক্ষে পুনৰ তলব কৰা হোৱা বুলি যুটীয়া আৰক্ষী আয়ুক্ত অংকুৰ জৈনে জানিবলৈ দিয়ে।

ooooo

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজিত সংহত জনজাতি উন্নয়ন প্ৰকল্পৰ দ্বাৰা আয়োজিত কৃষি সামগ্ৰীৰ বিতৰণ কাৰ্যসূচীত অংশ লৈ আত্মসহায়ক গোটসমূহক ১৫ খন ট্ৰেক্টৰ, ১৮ খন পাৱাৰ টিলাৰ, পাৱাৰ উইদাৰ আৰু মৰণা মৰা যন্ত্ৰ বিতৰণ কৰে। কৃষি যান্ত্ৰিকীকৰণ উপ আঁচনি তথা ধৰত্ৰি আবা জনজাতীয় গ্ৰাম্য উৎকৰ্ষ আঁচনিৰ অধীনত এই কৃষি সঁজুলিসমূহ বিতৰণ কৰা হয়। ডাঃ পেগুৱে তেওঁৰ ভাষণত কয়, যে যান্ত্ৰিকীকৰণৰ দ্ৰুত বিকাশৰ লগে লগে কৃষি ক্ৰমান্বয়ে অধিক লাভজনক আৰু বহনক্ষম জীৱিকালৈ পৰিণত হৈছে। সেয়েহে উন্নত কৃষি পদ্ধতিৰ জৰিয়তে সবলীকৰণৰ পথ মুকলি কৰিবলৈ মন্ত্ৰীগৰাকীয়ে কৃষকসকলক আহ্বান জনায়। ডাঃ পেগুৱে ইয়াৰ পূৰ্বে লখিমপুৰ জিলাত আয়োজিত এখন নাগৰিক সভাত অংশ লৈ ২০২৫-২৬

বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত জনসাধাৰণৰ সৈতে মত বিনিময় কৰে। তেওঁ এইবাৰৰ বাজেটত উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আৱণ্টন জনোৱা বিভিন্ন ক্ষেত্ৰৰ বিষয়ে জনসাধাৰণক অৱগত কৰে। ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত দীৰ্ঘম্যাদী পৰিকল্পনাৰ অংশ হিচাপে এই বাজেট অতি গুৰুত্বপূৰ্ণ বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এইবাৰৰ বাজেট উত্তৰ-পূৰ্বাঞ্চলত নতুন প্ৰকল্প নিৰ্মাণ, শিক্ষাৰ গুণগত মান উন্নীতকৰণ, নতুন প্ৰযুক্তি গ্ৰহণ, গৱেষণাৰ উপৰি ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ ৰূপায়ণত বিশেষভাৱে সহায়ক হ'ব। ডাঃ পেগুৱে দেশৰ সামগ্ৰিক উন্নয়নেৰে এখন নতুন আৰু শক্তিশালী ভাৰত গঢ়াৰ লক্ষ্যৰে কেন্দ্ৰীয় বাজেটত গ্ৰহণ কৰা উন্নয়নমুখী পদক্ষেপৰ বাবে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ শলাগ লয়।

০০০০০

২০০ খন বিছনাযুক্ত গোৱালপাৰা অসামৰিক চিকিৎসালয়ত বিশুদ্ধ খোৱাপানী যোগানৰ বাবে আজি অইল ইণ্ডিয়া লিমিটেডৰ গোৱালপাৰা জিলা আয়ুক্তৰ সৈতে এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই উপলক্ষে জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰী, অতিৰিক্ত জিলা আয়ুক্ত নৱজিৎ পাঠক, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জনবীৰ দাস, গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ চিত্তৰঞ্জন হাজৰিকা আৰু দুলীয়াজানৰ অইল ইণ্ডিয়া লিমিটেডৰ বিষয়া দেৱাশিস বৰা আৰু শতাব্দী মহন্তই এটা আলোচনাত অংশগ্ৰহণ কৰে। আলোচনাৰ অন্তত অইল ইণ্ডিয়া লিমিটেডে চিকিৎসালয়খনলৈ বিশুদ্ধ খোৱাপানী যোগানৰ বাবে ১ কোটি ব্যয় সাপেক্ষ এখন নতুন আঁচনি ৰূপায়ণ কৰিবলৈ সন্মতি প্ৰকাশ কৰি চুক্তিবদ্ধ হয়। জিলা আয়ুক্ত আৰু অইল ইণ্ডিয়া লিমিটেডৰ বিষয়া দেৱাশিস বৰাই চুক্তি পত্ৰত স্বাক্ষৰ কৰে। পানী যোগান আঁচনিটোৰ কাম ৬ মাহৰ ভিতৰতে সম্পূৰ্ণ কৰি তোলা হ'ব বুলি জিলা আয়ুক্তই অইল ইণ্ডিয়া লিমিটেডৰ বিষয়াদ্বয়ক অৱগত কৰে।

০০০০০

ৰাজ্যৰ প্ৰাক্তন মন্ত্ৰী তথা অসম গণ পৰিষদ দলৰ প্ৰাক্তন সাধাৰণ সম্পাদক নগেন শৰ্মাৰ ২৫ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি নলবাৰী জিলাৰ বাঁহজানীত আয়োজিত অনুষ্ঠানত প্ৰয়াত নেতাগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হয়। এই অনুষ্ঠানত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ উপৰি অসম গণ পৰিষদ দলৰ ভালেসংখ্যক বিষয়ববীয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই আজি স্মৃতি দিৱস উপলক্ষে প্ৰয়াত নেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত শ্ৰীবৰাই কয় যে নেতাগৰাকীৰ আদৰ্শ, জাতীয় চেতনা আৰু আঞ্চলিকতাবাদী ধ্যান-ধাৰণাই ৰাজ্যখনৰ অগণন লোকক সামূহিক কল্যাণ আৰু প্ৰগতিৰ বাবে কাম কৰি যাবলৈ সদায়েই অনুপ্ৰাণিত কৰিব। উল্লেখযোগ্য যে ২০০০ চনৰ আজিৰ দিনটোতে নলবাৰীত সংঘটিত বোমা বিস্ফোৰণত নগেন শৰ্মাৰ মৃত্যু হৈছিল।

০০০০০

বিটিআৰৰ দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিকাশ অভিযানৰ উদ্যোগত আজি ওদালগুৰি জিলাৰ ভেৰগাঁও মহাবিদ্যালয়ত এটা কেৰিয়াৰ পৰামৰ্শ কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিটিআৰৰ দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ উপদেষ্টা ৰঞ্জন কুমাৰ বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক জীৱনত আহি পৰা প্ৰত্যাহ্বান গ্ৰহণ কৰি ভৱিষ্যত জীৱন সুন্দৰ আৰু সুচাৰুৰূপে গঢ়ি তুলিবলৈ আহ্বান জনায়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ পেচাদাৰী উত্তোৰণৰ বাবে বিটিআৰ প্ৰশাসনে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ বিষয়ে উল্লেখ কৰে। ছাত্ৰ-ছাত্ৰীসকলক এই আঁচনিসমূহৰ সুবিধা গ্ৰহণ কৰিবলৈ শ্ৰীবৰুৱাই আহ্বান জনায়। অনুষ্ঠানত টংলা মহাবিদ্যালয়, খৈৰাবাৰী মহাবিদ্যালয়, ভেৰগাঁও মহাবিদ্যালয় আৰু ভেৰগাঁও আই আই টিকে ধৰি ছখন শিক্ষানুষ্ঠানৰ তিনি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

০০০০০

যোৱা নিশা গুৱাহাটী মহানগৰীৰ লালমাটিত সংঘটিত এটা পথ দুৰ্ঘটনাত নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিৰিঞ্চি কুমাৰ দাসৰ মৃত্যু হয়। দুচকীয়া বাহনেৰে গেমছ ভিলেজৰ পৰা ওলাই অহা বিষয়াগৰাকীক এখন চাৰিচকীয়া বাহনে খুন্দা

মৰাৰ ফলত তেওঁৰ থিতাতে মৃত্যু হয়। দুৰ্ঘটনা সংঘটিত কৰি বাহনখনৰ চালকে পলায়ন কৰে। অসম আৰক্ষীয়ে দাসৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত অসম আৰক্ষীয়ে বিষয়াগৰাকীৰ কৰ্তব্যনিষ্ঠা আৰু সেৱাৰ মনোভাৱ স্মৰণীয় হৈ ৰ'ব বুলি উল্লেখ কৰে।

০০০০০

ৰাজ্যখনৰ সংবাদ জগতৰ পৰিচিত নাম - নিতুমনি শইকীয়া। উত্তৰ অসমৰ এখন সৰু চহৰৰ পৰা অহা এজন তীক্ষ্ণধী যুৱক এদিন আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ আহি প্ৰচাৰ মাধ্যমৰ সৈতে কিদৰে জড়িত হৈছিল আৰু পৰৱৰ্ত্তী কালত কিদৰে ৰাজ্যৰ টেলিভিছন সংবাদ মাধ্যমত নিজৰ পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হৈছিল সেই বিষয়ে তেওঁৰ নিজৰ মুখেৰেই শুনিবলৈ পাব অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটত আমাৰ দৃষ্টিপাত অনুষ্ঠানত। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু সাক্ষাৎ গ্ৰহণ ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আজিৰেপৰা উত্তৰ-পূব জাপান কাৰাভান মহোৎসৱ অনুষ্ঠিত হৈছে। জাপান ফাউণ্ডেচনৰ সহযোগত বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ উদ্যোগত আয়োজিত এই মহোৎসৱৰ অংশ হিচাপে ৰাজ্যখনত জাপানী ভাষাৰ শিক্ষাৰ প্ৰতি যুৱক-যুৱতীসকলক আগ্ৰহী কৰি তোলাৰ প্ৰয়াস কৰা হ'ব। মহোৎসৱত জাপানৰ ভাষা কলা-সংস্কৃতি আৰু ঐতিহ্যক প্ৰতিফলিত কৰি তিনিখন চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। কালি এই উপলক্ষে আয়োজিত সংবাদমেলত জাপানৰ সংস্থাটোৰ হৈ প্ৰতিনিধিত্ব কৰা নতুন দিল্লীৰ জাপানী ভাষা কাৰ্যালয়ৰ সঞ্চালক টাইচেই টায়'মাৰ'ৱে কয়, যে এই সংস্থাটোৱে ভাৰতত জাপানী ভাষা আৰু সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে কাম কৰি আহিছে। বিশ্ববিদ্যালয়খনত আজি আৰু কাইলৈ অনুষ্ঠানৰ অংশ হিচাপে জাপানৰ সংস্কৃতিৰ বিভিন্ন দিশ সামৰি লোৱা হৈছে বুলি তেওঁ কয়। উল্লেখযোগ্য যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অহা শিক্ষাবৰ্ষৰ পৰা জাপানী ভাষাৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ পৰিকল্পনা লোৱা হৈছে। অসমৰ ৫০ হাজাৰ ল'ৰা-ছোৱালীক জাপানত কাম কৰাৰ বাবে উপযুক্ত কৰি তুলিবলৈ ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পৰিকল্পনা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত এই জাপানী শিক্ষাৰ পাঠ্যক্ৰমে সহায় কৰিব বুলি বিশ্ববিদ্যালয় সূত্ৰই প্ৰকাশ কৰে।

০০০০০

গোলাঘাটৰ স্বাস্থ্য বিভাগে আজি জিলাখনৰ মুঠ এহেজাৰ ৬৮৩ জন যক্ষ্মা ৰোগীক পুষ্টিকৰ খাদ্যৰ টোপোলা বিতৰণ কৰে। নুমলীগড় শোধানাগাৰৰ পৃষ্ঠপোষকতাত অনুষ্ঠিত আজিৰ এই কাৰ্যসূচীৰ অধীনত ৰোগীসকলক পুষ্টিকৰ খাদ্য বিতৰণ কৰাৰ লগতে নিক্ষয়মিত্ৰসকললৈ সম্বৰ্ধনা পত্ৰ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰৰ **যক্ষ্মামুক্ত ভাৰত** কাৰ্যক্ৰমৰ অধীনত সমগ্ৰ দেশতে এনেধৰণৰ ভালেখিনি কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত বৰ্ষৰ ভিতৰত সমগ্ৰ দেশতে যক্ষ্মা নিৰ্মূল কৰা সংকল্প গ্ৰহণ কৰিছে। আজিৰ অনুষ্ঠানত স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত জেমছ আইণ্ড, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰঞ্জিত ভূঞা, মুখ্য স্বাস্থ্য আৰু চিকিৎসা বিষয়া ডাঃ ভাৰত ফুকনকে ধৰি গোলাঘাট জিলা স্বাস্থ্য বিভাগৰ কেইবাগৰাকী বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০

টাই-আহোম যুৱ পৰিষদৰ চৰাইদেউ জিলা সমিতিয়ে অভিনেত্ৰী প্ৰস্তুতি পৰাশৰলৈ বীৰাংগনা মূলাগাভৰু বঁটা আগবঢ়াইছে। আজি দিছপুৰ প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত সমিতিৰ বিষয়াববীয়া এই কথা সদৰি কৰি কয়, যে চৰাইদেউ জিলাৰ সোণাৰিত অহা ২৭ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ আয়োজিত কাৰ্যসূচীত এই বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত টাই-আহোমসকলৰ এযোৰ যুদ্ধৰ সাজ-পাৰ, এখন হেংদাং, এখন মানপত্ৰ, এটা স্মাৰক আৰু নগদ ২৫ হাজাৰ টকাৰ চেক থাকিব বুলি আয়োজকসকলে জানিবলৈ দিছে। উল্লেখযোগ্য টাই-আহোম যুৱ পৰিষদৰ চৰাইদেউ জিলা সমিতিয়ে ২০১৩ চনৰ পৰা বীৰাংগনা মূলাগাভৰু স্মৃতি দিৱস আৰু বঁটা প্ৰদান কাৰ্যসূচীৰ আয়োজন কৰি আহিছে।

০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ ৰাৱলপিণ্ডি ক্ৰিকেট ষ্টেডিয়ামত আজি পাকিস্তান আৰু বাংলাদেশৰ মাজত হ'বলগীয়া খেলখন বৰষুণৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়। সুদীৰ্ঘ ২৯ বছৰত প্ৰথমবাৰৰ বাবে আই চি চি টুৰ্ণামেণ্টৰ আয়োজন কৰা পাকিস্তানে এখনো খেলত জয় লাভ নকৰাকৈ এই প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'বলগীয়া হয়। একেদৰে বাংলাদেশেও এখনো খেলত জয় লাভ নকৰাকৈ নিজৰ যাত্ৰাৰ সামৰে। দুয়োটা দলকে ১ পইণ্টকৈ ভগাই দিয়া হয়। যোৱা মঙলবাৰে দক্ষিণ আফ্ৰিকা আৰু অষ্ট্ৰেলিয়াৰ মাজৰ খেলখন বৰষুণৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হৈছিল।

০০০০০

সমাপ্ত